অধ্যায় ৭ ঃ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অসমীয়া সংস্কৃতি আৰু মুছলমানসকল
৭.৩.১ মৌখিক সাহিত্য
৭.৩.২ ভৌতিক সংস্কৃতি
৭.৩.৩ সামাজিক লোকাচাৰ
৭.৩.৪ লোক-পৰিৱেশ্য কলা
৭.৩.৫ ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতি কি সেই সম্পর্কে সম্যক ধাৰণা এটা লাভ কৰিব পাৰিব
- ভাৰতীয় সংস্কৃতিৰ প্রেক্ষাপটত অসমীয়া সংস্কৃতি সম্পর্কে জ্ঞাত হ'ব পাৰিব
- অসমীয়া সংস্কৃতি তথা ভাষা-সাহিত্যলৈ মুছলমানসকলৰ অৱদান, সমাহৰণ ঘটি যে এক পৰিপূর্ণ অসমীয়া সংস্কৃতিৰ ৰূপ পৰিগ্রহ কৰিছে, সেই সম্পর্কে বিতংভাৱে জ্ঞান লাভ কৰিব পাৰিব
- অসমীয়া লোক-সংস্কৃতিৰ বিভিন্ন ভাগ— মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ আৰু লোক-পৰিৱেশ্য কলালৈ মুছলমানসকলৰ অৱদান সম্পর্কে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

'অসমীয়া সংস্কৃতি' পাঠ্যবিষয়ৰ অন্তর্গত এইটো নৱম অধ্যায়। এই অধ্যায়টিত অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশত মুছলমানসকলৰ অৰিহণা সম্পর্কে বিস্তৃত আলোচনা আগবঢ়োৱা হ'ব। অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পর্কে এটি সঠিক ধাৰণা দিব পাৰিব।

৭.৩ অসমীয়া সংস্কৃতি আৰু মুছলমানসকল

ভাৰতীয় সংস্কৃতিৰ ভিত্তি হ'ল— বৈচিত্র্যৰ মাজত ঐক্যৰ সমাহাৰ। ভাৰতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ভাৰতীয় সংস্কৃতি আৰ্য, আলপাইন, মঙ্গোলীয়, দ্রাবিড়, অষ্ট্রিক, নিগ্রো আদি নৃগোষ্ঠীসমূহৰ সংস্কৃতিৰ সোঁত, উপসোঁত লগ লাগি ভাৰতীয় সংস্কৃতিৰ বিশাল সাগৰ গঠিত হৈছে। ভাৰতীয় সংস্কৃতিৰ লগত মোগল সংস্কৃতিৰ সোঁত অথবা প্রবাহো জড়িত হৈ থকাটো সর্বজনবিদিত। ভাৰতীয় সংস্কৃতিত ভাষা, সাহিত্য, সামাজিক, ৰাজনৈতিক, শিল্প-কলা, দর্শন আদিৰ ক্ষেত্রত সমন্বয়ৰ এনাজৰী এডাল সংযোগ হৈ আহিছে। এই সমন্বয়ৰ সংস্কৃতিয়ে ভাৰতীয় সংস্কৃতিৰ স্বৰূপ প্রকাশ কৰে আৰু সমন্বয়ৰ আদর্শৰে ভাৰতীয় সংস্কৃতি অটুট হৈ আছে। ভাৰতীয় সংস্কৃতিত ভাৰতীয় আত্মাৰ বিকাশ বিভিন্ন প্রান্তত বিভিন্ন ৰূপত ঘটিছে।

ভাৰতীয় সংস্কৃতিৰ এক ক্ষুদ্র গোট অসমীয়া সংস্কৃতি। অসমত অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ই কোনো নির্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। আর্য, অষ্ট্রিক, মঙ্গোলীয়, আলপাইন আদি নৃগোষ্ঠীসমূহৰ সংমিশ্রিত সমাহৰণেৰে অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। এই নৃগোষ্ঠীসমূহৰ সংস্কৃতি সন্মিলিত উপাদান আৰু ক্ষমতা প্রতিষ্ঠাৰ নামত অহা সাম্রাজ্যবাদী মোগল আৰু ইছলাম ধর্মীয় বাণী প্রচাৰ কৰিবলৈ অহা আৰবীসকলৰ সমাহাৰত অসমীয়া সংস্কৃতিৰ ৰৱভেঁটি নির্মাণ হৈছে। সংস্কৃতিৰ গৱেষক-পণ্ডিত লীলা গগৈৰ ভাষাত— "ভৌগোলিক অৱস্থান আৰু প্রয়োজনীয়তাই এনেকৈ সমন্বয়ৰ ৰৱভেঁটি বান্ধিছে যে আজি তাৰ মূল উপাদানবোৰ বিশ্লেষণ কৰি উলিওৱা সহজসাধ্য হৈ থকা নাই। ইটোৰ বুকুত সিটো সাংস্কৃতিক উপাদানৰ কঠীয়া গজি উঠি ঠন ধৰিছে; ইটোৰ কঠীয়া অন্য এটাৰ পথাৰত সোণগুটি ধান হৈ তিৰবিৰাইছে। আনপিনে, আকৌ এটাৰ ধানমুঠিয়ে আন এটাৰ পুষ্টিসাধন কৰিবলৈ চাউল হৈ সিজি সুস্বাদু ব্যঞ্জনৰ লগত মিহলি হৈ পেটত সোমাইছে।"

ভাৰতবর্ষৰ পূর্বোত্তৰ ৰাজ্য অসমলৈ ত্রয়োদশ শতিকাৰ পৰা এঘৰ-দুঘৰকৈ মুছলমান মানুহৰ আগমন ঘটে। এই আগমনৰ স্বাক্ষৰ বহন কৰে কামৰূপ জিলাৰ উত্তৰ-গুৱাহাটীত থকা কানাই বৰশী বোৱা শিলালিপিয়ে। ক্ষমতা প্রতিষ্ঠাৰ নামত ত্রয়োদশ শতিকাত মোগল সেনাপতি মহম্মদ বিন বখতিয়াৰে কামৰূপ আক্রমণ কৰি সেই সময়ৰ কামৰূপৰ ৰজা পৃথুৰ হাতত পৰাস্ত হয় আৰু যুদ্ধবন্দী হোৱাসকল অসমত ৰৈ যায়। সময়ত থলুৱা মানুহেও ইছলাম ধর্মৰ প্রতি আগ্রহী হৈ ইছলাম ধর্ম গ্রহণ কৰে। ত্রয়োদশ শতিকাতে মেচ জাতিৰ লোক এজনে ইছলাম ধর্মান্তৰ হৈ আলি মেচ নাম লোৱাৰ কথা বুৰঞ্জীয়ে কয়। তুর্বকৰ সেনাপতিত্বত অহা সৈন্যবাহিনী কংচেং বৰপাত্র গোহাঁইৰ হাতত পৰাস্ত হোৱাত যথেষ্ট সংখ্যক লোক যুদ্ধবন্দী হৈ ৰৈ যায়।অসমৰ মুছলমান জনসমষ্টিক পাঁচোটা ভাগত ভাগ কৰিব পৰা যায়। সেইকেইটা হ'ল—

ক) অসমত ৰৈ যোৱা মোগল-পাঠান যুদ্ধবন্দী।

খ) ধর্ম প্রচাৰ কৰিবলৈ অহা পীৰ বা আউলিয়া দৰবেশ আৰু তেওঁলোকৰ অনুগামী।

গ) আহোম যুগত নিয়োগ কৰা আঠোটা কাৰিকৰ মুছলমান পৰিয়াল।

ঘ) থলুৱা ধর্মান্তৰিত লোক।

ঙ) পমুৱা মুছলমান।

ত্রয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ ভিতৰত বিভিন্ন কাৰণত অসমত মুছলমান জনগোষ্ঠীৰ লোক অসমলৈ আগমন হৈছিল আৰু তাৰে একাংশ ইয়াতে থাকি গৈছিল।



জানি থোৱা ভাল

হেমকোষ অনুযায়ী স. শ. যৱন, মুছলমান— এইটো শব্দৰ মূলৰ কথাত মতৰ মিল নাই। কোনোৱে কয় মহম্মদ ঘোৰীৰ লগৰীয়া হেতু, সেই নাম হৈছে; কাৰোবাৰ মতে অসমৰ ৰজাই গৌড় (বঙ্গ) দেশৰ পৰা কিছুমান মুছলমান জাতিৰ জোলা অনাইছিল, গৌড়ৰ পৰা অহা বাবে এই শ্রেণী মানুহৰ নাম গৌড়ীয়া হৈ তাৰ পৰা ক্রমে গৰীয়া শব্দ ওলাইছে। এয়েই সম্ভৱ কামৰূপৰ ৰজাই বঙ্গদেশৰ পৰা মুছলমান জোলা অনোৱাটো সঁচা।

এছ. এল. বৰুৱাই লিখিছে— "অসমৰ মুছলমানসকলক গৰীয়া বুলি কোৱা হয়। ঘোৰ সাম্রাজ্যৰ নামৰ পৰা গৰীয়া আহিছে। মহম্মদে ভাৰতত মুছলমান সাম্রাজ্য প্রতিষ্ঠা কৰে অথবা পুৰণি বঙ্গদেশৰ ৰাজধানী গৌড় (বঙ্গদেশ)ৰ পৰা অহা মুছলমানসকলক গৰীয়া বুলি কয়। এওঁলোক তুৰ্কী সৈন্যসকলৰ আক্রমণত বন্দী হোৱা লোকৰ বংশধৰ। গৰীয়াসকলক বাদ দি অসমীয়া মুছলমানসকলৰ ভিতৰত চৈয়দ, মোগল, পাঠান আদি শ্রেণীৰ লোক পোৱা যায়। কামৰূপ জিলাৰ বিষয়াই উল্লেখ কৰামতে খলিফাসকল অসমৰ মুছলমানসকলৰ এটা ঠাল বা ফৈদ আৰু এওঁলোক মুছলমান ধর্মযাজকৰ বংশধৰ।আন আন মুছলমানসকলৰ তুলনাত বহুত আগতে আহিছে। অসমত বাস কৰা মুছলমানসকলে ইয়াৰ থলুৱা মানুহৰ লগত সম্পূর্ণৰূপে মিলি গৈছে। অসমীয়া ভাষা, জীৱন-ধাৰণ পদ্ধতি, সমাজ ব্যৱস্থা, নীতি-নিয়ম, ধর্মীয় বিশ্বাস আদি গ্রহণ কৰাৰ উপৰিও অসমভূমি ৰক্ষাৰ কাৰণে বিভিন্ন সময়ত যুদ্ধাদিও কৰি আহিছে।" (The Muslims in Assam are generally called gariyas, a term originating from the name of the Kingdom of Ghar, to which Muhammad, the founder of the Muslim empire in India belonged or from Gauda (Bengal) from which they came to Assam. There is another section of Assamese Muslims called Gariyas, the descendants of the War prisoners of Turbak's army. Leaving aside the Mariyas, amongst other Assamese Muslims families Syeds, Mughals and Pathans are also found. The Kamrup District Gazetter mentions of the Khalifas also and holds that they were the descendants of Muslim religious Preceptors, who entered Assam some centuries ago. The early Muslim Settlers have got themselves completely assimilated with the Assamese people speaking

their languages adopting their mode of living. Sharing their social rites and superstitions and fighting for the cause of this land.)

ত্রয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈ এই সময়ছোৱাৰ ভিতৰত অসমত মুছলমান জনসংখ্যা বৃদ্ধি পাইছিল; কিন্তু তেওঁলোকে অসমৰ থলুৱা ৰীতি-নীতি গ্ৰহণ কৰি হিন্দু-মুছলমান উভয় ধৰ্মৰ সংমিশ্ৰণৰ সমবিন্দুত উপনীত হৈছিল। অসমৰ ধন-সম্পদ, কলা-সাহিত্য, সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদৰ প্ৰতি মোহিত হৈছিল। মোগলে সাম্ৰাজ্যবাদী ক্ষমতা প্ৰতিষ্ঠা কৰিবলৈ এবাৰ দুবাৰ নহয়, সোতৰবাৰ অসম আক্ৰমণ কৰিছিল। মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত লগত অহা বুৰঞ্জী লেখক চাহাবুদ্দিন তালিছে কৈছিল— "যুদ্ধবন্দী হৈ ৰৈ যোৱা মুছলমানসকলৰ নাতি-পুতিসকল অসমীয়াৰ লগত হাড়ে-হিমজুৰে মিলি গৈছে। তেওঁবিলাকে মুছলমান বা অনা-মুছলমানে ৰন্ধা-বঢ়াৰ ক্ষেত্ৰত কোনো বাধা-নিষেধ আৰোপ নকৰে।"

সপ্তদশ শতিকাত আজান ফকীৰে বাগদাদৰ পৰা আহি ইছলাম ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ অসম ভূমিত প্ৰৱেশ কৰে। অসমৰ থলুৱা ৰীতি-নীতি আৰু হিন্দু জাতিৰ আচাৰৰ সংস্পৰ্শলৈ আহি অসমীয়া ভাষাৰেই ইছলামৰ বাণী প্ৰচাৰ কৰিবলৈ জিকিৰ ৰচনাত হাত দিলে। অসমত ইছলাম ধৰ্ম প্ৰচাৰ কৰা সহজ নহয় বুলি ভাবিয়েই শঙ্কৰদেৱৰ জাতি-বৰ্ণহীন নামধৰ্ম অৰ্থাৎ বৈষ্ণৱী আদৰ্শেৰে সমাজৰ পৰা অৱহেলিত হোৱা লোকসকলক দীক্ষিত কৰে। গেইটে লিখিছে— "আদিতে মহম্মদ (মুছলমান) বিলাকৰ প্ৰাচীন ৰাজধানী বঙ্গৰ গৌড়ৰ পৰা আহি কামৰূপত থিতাপি লোৱা অসমৰ সাধাৰণ মহম্মদান (মুছলমান)বিলাকে নিজকে গৰিয়া বুলি পৰিচয় দিয়ে।" (The ordinary Muhammadans of Assam call themselves goriya, and indication of their claim to have come originally from Gaura, the ancient Muhammadan capital of Bengal.) বেণুধৰ শৰ্মাই লিখিছে— "মৰাশ কবৰ দিয়া গোৰাস্থান শব্দৰ পৰা গৰিয়া অহা বুলি কয়।"

মহম্মদ ঘোৰীয়ে ১১৯৩ চনত জয় কৰা ৰাজ্যবোৰ কুতুবুদ্দিনক গতাই দিয়াত তেওঁ জয় কৰা ৰাজ্যবোৰত মুছলমানৰ সংখ্যা বঢ়াবলৈ চেষ্টা কৰে। ইখতিয়াৰ উদ্দিন বিন বখতিয়াৰ খিলিজীয়ে বঙ্গ, বিহাৰ, কামৰূপ জয় কৰিবলৈ গৈ পৰাজিত হৈ পলাই যায়। ১২০৬ খ্ৰীঃত মহম্মদ বিন বখতিয়াৰ খিলিজীয়ে বঙ্গ জয় কৰাৰ পাছত কামৰূপলৈ আহে যদিও কামৰূপৰ ৰজাৰ হাতত পৰাজয় বৰণ কৰি কোনোমতে প্ৰাণ লৈ পলাই যায়। ১২২৭-২৮ খ্ৰীঃত অৰ্থাৎ কামৰূপত পৃথুৰ ৰাজত্ব কালত গিয়াছুদ্দিন খিলিজী আৰু নাদিৰুদ্দিনৰ নেতৃত্বত কামৰূপলৈ মুছলমানসকল আহে।

গেইটে লিখিছে— "১২৫৭ খ্ৰীঃত ইখতিয়াৰুদ্দিন উজবেগ আৰু তুঘৰিল খাই কামৰূপ আক্ৰমণ কৰি কিছুদিনৰ কাৰণে জয়ী হয় আৰু জয়লাভৰ চিনস্বৰূপে মছজিদ এটি নিৰ্মাণ কৰে। বোধহয় কামৰূপত এইটোৱে মুছলমানসকলৰ প্ৰথম মছজিদ। কিছুদিন পাছত বাৰিষা হোৱাত বহু ঠাই পানীত তল যায়; ফলত তুঘৰিল খাৰ বহুতো সৈন্যৰ মৃত্যু হয়। কামৰূপীয়া ৰজাই পাহাৰীয়া ঠাইৰ পৰা আহি চুলতানক আক্ৰমণ কৰি নিহত কৰে। ফলত সৈন্যবোৰ ছেদেলি-ভেদেলি হৈ

পলাই যায় যদিও কিছু সৈন্যহে বঙ্গলৈ উভতি যায়।" (The next invasion was that of Ikhtiyaruddin Yuzbak, Tughril Khan about A.D. 1257. For a time he was successful, and he celebrated his progress by erecting a mosque, but when the rains get in and the country was flooded, and large numbers died. The King of Kamrupa returned from hills where he had taken refuge and gave battle. The Sultan was killed and his army defeated and only a few succeeded in making good their escape to Bengal.)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমলৈ মুছলমানসকল কেতিয়া আৰু কি পৰিস্থিতিত আহিছিল? (২৫০টা শব্দৰ ভিতৰত লিখিক)

৭.৩.১ মৌখিক সাহিত্য

পুৰণি কালৰ পৰা মানুহৰ মুখে মুখে আৰু মৌখিক পৰম্পৰাৰে যিবোৰ ৰচিত হৈ আহিছে তাকেই মৌখিক সাহিত্য বুলি কোৱা হয়। ই লোক জীৱনৰ পটভূমিত তথা লোক মনৰ চিন্তা-চেতনা, আবেগ-অভিৰুচি, ভাব-কল্পনাৰ আধাৰত ৰচিত মৌখিক সাহিত্য। ইয়াক লোক সাহিত্য, চহা সাহিত্য, পৰম্পৰাগত মৌখিক প্রক্রম, অলিখিত সাহিত্য, বাচিক কলা আদি বিভিন্ন অভিধাৰেও অভিহিত কৰিব পাৰি। মৌখিক সাহিত্যৰ এটা প্রধান বিশেষজ্ঞ হ'ল ইয়াৰ ৰচকৰ নাম বা চন-তাৰিখৰ কোনো উল্লেখ নাথাকে। লোক জীৱনৰ মৌখিক ৰচনা হ'লেও লিখিত সাহিত্যৰ নিচিনা এই শ্রেণীৰ সাহিত্যও নান্দনিক দিশত নিশ্চিতভাৱে সমৃদ্ধ আৰু ৰচয়িতাৰ কলাত্মক বোধৰ দক্ষতাৰ এক সুন্দৰ প্রকাশ ঘটে। সেয়ে মৌখিক সাহিত্যক 'অখ্যাত কবিৰ বিখ্যাত ৰচনা' বুলি কোৱা হয়। লোক সমাজত লোক সাহিত্য বা মৌখিক সাহিত্য পদটোৱেই ব্যৱহাৰ অধিক আৰু ই জনপ্রিয়ও।

মৌখিক সাহিত্য বা লোক সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য গৱেষক পণ্ডিতসকলে এনেদৰে দাঙি ধৰিছে—

ক) লোক সাহিত্য জনসাধাৰণৰ মুখে মুখে প্রচলিত আৰু পৰম্পৰা আশ্রিত। জাতীয় সাহিত্যৰ এই শ্রেণীত ব্যক্তিবিশেষৰ কল্পনাৰ স্ফুৰণৰ ঠাই নাই। এই শ্রেণীৰ সাহিত্য কেৱল ব্যক্তিবিশেষৰ আনন্দ-বিনোদনৰ কাৰণেও সৃষ্টি নহয়। ই সমাজৰ উমৈহতীয়া সৃষ্টি। সমাজৰ সর্বজনৰ ভাব, চিন্তা আৰু কল্পনাৰ ই মিলনতীর্থ আৰু সমস্ত সমাজখনৰ আনন্দ-বিনোদনৰ কলাক্ষেত্র বুলি বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰি গৈছে।

খ) মৌখিক সাহিত্যৰ জৰিয়তে সমাজ জীৱন অকৃত্রিম আৰু স্বতঃস্ফূর্তভাৱে অভিব্যক্ত হয়। ইয়াৰ ভাষা অজটিল, প্রকাশভঙ্গী পোনপটীয়া।

গ) মৌখিক সাহিত্যত গঞা লোকৰ জীৱন দৃষ্টি, জীৱন-নির্বাহ প্রণালী আদিৰ লগতে গাঁৱলীয়া সমাজৰ সামগ্রিক চিত্র প্রতিফলিত হয়।

ঘ) মৌখিক সাহিত্যত লোক সমাজৰ মাজত প্রচলিত নানান বিশ্বাস-অবিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পার্বণ আদিৰ বর্ণনাই উল্লেখনীয় ঠাই অধিকাৰ কৰি আছে।

ঙ) মৌখিক সাহিত্যত ঐন্দ্রজালিক আখ্যান বা পৰিস্থিতিৰ সমাবেশ থাকে। এনে আখ্যান বা পৰিস্থিতি ৰূপায়ণৰ বাবেই জনসমাজৰ মাজত মৌখিক সাহিত্যৰ আদৰ বেছি।

চ) লোক সংস্কৃতিৰ পণ্ডিত নবীন শর্মাই উল্লেখ কৰিছে— "লোক সাহিত্য মুখে মুখে প্রচলিত হ'লেও কোনো কোনো ক্ষেত্রত, সি লিখিত সাহিত্যৰ ৰূপ পৰিগ্রহণ কৰি অভিজাত স্তৰ লাভ কৰিব পাৰে। সেইদৰে লিখিত সাহিত্যও মুখ পৰম্পৰা প্রচলিত হৈ লোক সাহিত্যৰ অন্তর্ভুক্ত হ'ব পাৰে।মুঠতে, লোক সাহিত্যই হওক কিম্বা লিখিত সাহিত্য হওক, উভয়ৰ মাজত অন্যান্য ক্রিয়া অনবৰতে চলি থাকে।"

ছ) মৌখিক সাহিত্য যিহেতুকে মুখে মুখে প্রচলিত; সেই হেতুকে তাৰ ভাষা কথিত ভাষাৰ শব্দ আৰু প্রকাশ ৰীতিৰে ঋদ্ধ।

মৌখিক সাহিত্যৰ গৱেষক, পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা মৌলিক সাহিত্যক শ্রেণীবিভাজন কৰিছে। যেনে— জাতিগত শ্রেণীবিভাজন (Ethnic Genres), তাত্ত্বিক শ্রেণীবিভাজন (Analytical Categories), বিষয়বস্তু অনুসৰি কৰা শ্রেণী-বিভাজন (Thematical Classification), প্রকার্যাত্মক শ্রেণীবিভাজন (Function Classification), অনুষঙ্গত শ্রেণীবিভাজন (Contextual Classification), আঞ্চলিক শ্রেণীবিভাজন (Regional Classification) ইত্যাদি।

অসমীয়া মৌখিক সাহিত্যৰ বৈচিত্র্য আৰু অভিনৱত্ব অবিস্মৰণীয়। অসমৰ ভৌগোলিক পৰিৱেশ, ৰাজনৈতিক অৱস্থা আৰু জলবায়ুৰ বৈচিত্র্য মন কৰিবলগীয়া। তাহানিৰ পৰাই অসমত আর্য্য-অনার্য্য আদি জাতি-গোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। ধর্মীয় দিশৰ পৰা চালে দেখা যায়— হিন্দুধর্মী লোকৰ পিছতেই ইছলামধর্মী লোক। ইয়াৰ উপৰি বৌদ্ধ, জৈন, খ্রীষ্টিয়ান, শিখধর্মী লোক কম-বেছি পৰিমাণে বসবাস কৰি আছে; যদিও এই ৰাজ্যৰ প্রাকৃতিক, ঐতিহাসিক আৰু কিংবদন্তিমূলক প্রবাহে তেওঁলোকৰ মাজত ঐক্য স্থাপন কৰা হেতুকে স্বৰূপার্থত বিশেষ পার্থক্য নাই।

অসমীয়া মৌখিক সাহিত্যৰ অসমীয়া সংস্কৃতিৰ সংযুক্তিত এই ৰাজ্যত বসবাস কৰা সকলো জনগোষ্ঠীয় সমল নিহিত হৈ আছে। অসমীয়া মৌখিক সাহিত্যত মুছলমান জনগোষ্ঠীৰ অনেক উপাদান মিশ্রিত হৈ অসমৰ সাংস্কৃতিক জীৱনত ঐক্য বা সমন্বয়ৰ প্রৱণতা স্পষ্ট কৰি তুলিছে। সেয়ে অসমীয়া লোক সাহিত্যৰ পৰিসৰক ই বিস্তৃত কৰাৰ লগতে বৈচিত্র্যপূর্ণ আৰু প্রভাৱশালী কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ মৌখিক বা লোক সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ চমু উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক)

৭.৩.২ ভৌতিক সংস্কৃতি

মানৱ জীৱনৰ দৈনন্দিন প্রক্রিয়াৰ লগত জড়িত মৌলিক প্রয়োজনীয় সকলো প্রকাৰৰ বস্তুক লৈ ভৌতিক সংস্কৃতি গঢ় লৈ উঠে। মৌলিক প্রয়োজনীয় বস্তু বুলি ক'লে খাদ্য, বস্ত্র আৰু বাসস্থানকে বুজা যায়।নবীন চন্দ্র শর্মাই ভৌতিকসংস্কৃতি শ্রেণীৰ বিভাজন এনেদৰে কৰিছে— লোক শিল্প, লোক কলা, লোক স্থাপত্যবিদ্যা, লোক আভৰণ আৰু লোক ৰন্ধন প্রণালী।

অসমলৈ মুছলমানসকলৰ আগমন হোৱাৰ লগে লগে ইয়াৰ থলুৱা লোকৰ লগত ওচৰ সম্বন্ধ এটা স্থাপন হৈছিল। সেয়ে নতুনকৈ অসমলৈ অহা জাতিটোৰ লগত অসমীয়া সংস্কৃতিৰ সম্বন্ধ ঘটিছিল। ঐতিহাসিকভাবে ত্রয়োদশ শতিকাৰ প্রথম দশকতে অসমলৈ মুছলমানসকলৰ আগমন হয়। তেতিয়াৰ পৰা অসমীয়া সাংস্কৃতিক জীৱনত নতুন কিছুমান সামগ্রী লোক-শিল্প, লোক-কলা, লোক-স্থাপত্য, লোক-আভৰণ, লোক-ৰন্ধন প্রণালীৰ প্রচলন হ'ল আৰু এই দেশৰ উদাৰ অসমীয়াই ভালপোৱাবোৰক নিজৰ কৰি ল'লে।

অসমৰ লোক-শিল্প বুলি ক'লে বাঁহ-বেতৰ নানান সঁজুলি নির্মাণ, মৃণ্ময় পাত্র আদি নির্মাণ, কাঠ আৰু কুঁহিলাৰ কার্য, হাতী দাঁত আৰু ম'হৰ শিঙৰ কাম, সোণ, ৰূপ, কাঁহ, পিতল, লো আদি বিভিন্ন ধাতুৰ কামকে বুজায়। কোনো বিশেষ আধুনিক যন্ত্র-পাতিৰ সহায় নোলোৱাকৈ সাধাৰণ ঘৰুৱা সঁজুলিৰ জৰিয়তে নিজস্ব কৌশল-আৰ্হিক লৈ নিজা নিজা হাতেৰে নির্মাণ কৰি উলিয়ায়। লোক-শিল্পসমূহে ব্যৱহাৰিক জীৱনত প্রয়োজনীয়তা পূৰণৰ উপৰিও অর্থনৈতিক দিশতো বিশেষ ভূমিকা গ্রহণ কৰে। মুছলমান-সকল এনে ধৰণৰ শিল্পৰ লগত ওতঃপ্রোতভাবে জড়িত। কলিয়াবৰৰ যুদ্ধত মুছলমান সেনাপতি তুর্বকে ১৫৪৩ চনত প্রথমবাৰৰ বাবে বঙ্গদেশৰ পৰা বন্দুক-বাৰুদ আনি এই যুদ্ধত ব্যৱহাৰ কৰিছিল। ইয়াৰ আগতে অসমত বন্দুক-বাৰুদ নির্মিত হোৱা নাছিল। এই বন্দুক চাই ৰজাঘৰীয়া কাৰিকৰে বন্দুক সাজি লয়। মীৰজুমলাৰ অসম আক্রমণৰ সময়ত অসমীয়া মুছলমান গেন্ধেলা গৰিয়াই সজা বৰতোপটো আটাইতকৈ ডাঙৰ আছিল। স্বর্গদেউ ৰুদ্রসিংহৰ ৰাজত্বকালত অসমীয়া সাংস্কৃতিক জীৱনত মুছলমানৰ প্রভাৱ সম্প্রসাৰিত হয় আৰু ৰজাই দেশ গঢ়িবলৈ বিশেষ পাৰদর্শিতা থকা লোক ভাটীৰ পৰা আমাৰ দেশলৈ নিগাজিকৈ আনিলে।ইয়াৰ ভিতৰত আঠোটা মুছলমান পৰিয়াল আছিল— ফার্চী পটীয়া,

আখৰ কটীয়া, শিল কটীয়া, গুণা কটীয়া, খনিকৰ, নেগেৰীয়া, দর্জি আৰু জোলা। এইসকল বেলেগ বেলেগ কামৰ লগত জড়িত আছিল। ফাৰ্চী পঢ়ীয়াই ৰজাঘৰীয়া 'খত পত্র' পঢ়ি তাক অসমীয়াত বুজাই দিয়া আৰু বিদেশী ৰজাৰ লগত চিঠিৰে আদান-প্রদানৰ কাৰণে ফাৰ্চীৰে চিঠি-পত্র লিখা কামত নিযুক্ত আছিল। আখৰ কটীয়াসকলে 'নিষ্পিখেৰাজ' আৰু 'লাখেৰাজ' মাটিৰ কাৰণে শিলৰ বা তামৰ ফলিত আখৰ কটা কাম কৰিছিল। এওঁলোকে হাতী-দাঁতৰ ফণি, সঁফুৰা, পাৰ্চী ৰজাৰ মোহৰো নির্মাণ কৰিছিল। খনিকৰসকলে শিল-কাঠন মূর্তি গঢ়াৰ উপৰিও সুন্দৰ চিত্রও আঁকিছিল। সুকুমাৰ বৰকাথৰ ৰচিত 'হস্তীবিদ্যার্ণৱ' পুথিত ৰজা শিৱসিংহৰ পৃষ্ঠপোষকতাত মুছলমান শিল্পী দিলবৰ আৰু দোচায়ে অংকন কৰা সুন্দৰ চিত্র অতি আপুৰুগীয়া আৰু মোগল যুগৰ চাৰুচিত্রৰ অনুপম নিদর্শন। গতিকে চিত্রকৰী আৰু খনিকৰী বিদ্যাত মুছলমানসকলৰ বৰঙণি উলাই কৰিব নোৱাৰি।

অসমত কাঁহ-পিতলৰ নির্মাণ কার্য কেতিয়াৰ পৰা হয় তাক সঠিককৈ ক'ব নোৱাৰিলেও এইটো নিশ্চিত যে আহোম ৰজা চুহুংমুং দিহিঙ্গীয়াৰ দিনত বঙ্গৰ সেনাপতি তুর্বকে ১৫৩২ খ্রীঃত ৰজাৰ অসম আক্রমণ কৰিবলৈ আহি আহোম সেনাৰ হাতত পৰাভূত হৈ ছত্রভঙ্গ দিয়ে। ইয়াৰ ফলত বহুত মুছলমান সৈন্য আহোমৰ হাতত বন্দী হয়। বন্দী হোৱা মুছলমান সৈন্যসকলৰ কামৰ যোগ্যতা চাই তেওঁলোকৰ কাঁহ-পিতলৰ শিল্পৰ কামত নিয়োগ কৰে আৰু তেওঁলোকেই পিচলৈ মৰীয়া সম্প্রদায় হিচাপে অসমৰ হাজোত পৰিচিত হৈ বিভিন্ন ঠাইত বিয়পি পৰে। অসমৰ হাজোত পোনতে বাৰ ঘৰ মৰীয়া সম্প্রদায়ৰ লোক সংস্থাপিত কৰা হৈছিল। কিন্তু এইটো কথা ঠিক যে অসমত পিতল শিল্পী যে নাছিল তেনে নহয়। হিন্দু শিল্পীতকৈ মুছলমান খনিকৰসকলে অসমৰ বুকুত হাড়ে-হিমজুৰে জীণ গৈ অসমীয়া হৈ পৰিল।

সময়ত মৰীয়া সম্প্রদায়টো পিতল শিল্পৰ লগত এনেকুৱাকৈ জড়িত হৈ পৰিল যে এই শিল্পকর্মত নিয়োজিত হিন্দু-মুছলমান সকলোকে অসমৰ মানুহে মৰীয়া সম্প্রদায় বুলিয়ে ভাবিবলৈ ধৰিলে। মৰীয়া সম্প্রদায়ৰ মহিলাখিনিৰ পিতল শিল্পলৈ যিমান অৰিহণা আছে হিন্দু সম্প্রদায়ৰ মহিলাখিনিৰ ক্ষেত্রত সেইটো দেখা নাযায়। পিতল শিল্পৰ মূল কেঁচা সামগ্রী হ'ল তাম আৰু দস্তাৰ মিশ্রণেৰে তৈয়াৰ কৰা মিশ্র ধাতু। 'পিতলৰ চাক' আৰু লগত অন্যান্য সামগ্রীসমূহৰ ভিতৰত পাইন, শূৰাগ, কয়লা, এঙাৰ, লা, ধূনা, ৰাং, গহুক-তুতিয়া, চূণ-তেল আদি। সা-সৰঞ্জামবোৰৰ ভিতৰত হাতুৰি, চাতুলি, ভাতি, কোমোৰি, ৰেত, বাগিকুণ, আকোৱা, শৰহ, চেনা, টোপা, চিয়েৰী, ভোঁৱাৰ আৰু সৰু সৰু ভালেমান বস্তু আছে। বর্তমান হিন্দু আৰু মৰীয়া মুছলমান সম্প্রদায়ৰ নির্মিত পিতল শিল্পসমূহৰ সামগ্রী প্রধানকৈ কলহ, চৰিয়া, টৌ, থালি, কৰছ, টেকেলী, দুণৰি, ডবা, শৰাই, কল্চী, চাকি, চাকি গছা, বটা, ধূনা-বাটি, খৰাহী, টেমী ইত্যাদি।

অসমীয়া লোক স্থাপত্যৰ ক্ষেত্রত মুছলমানসকলৰ যথেষ্ট অৰিহণা দেখা যায়।

লোক স্থাপত্যৰ বিশিষ্ট শৈলী ঘৰ-দুৱাৰ নির্মাণ আদিৰ ক্ষেত্রত দেখা যায়। সাধাৰণতে মুছলমানসকলৰ আগচোতালত চ'ৰাঘৰ বা আলহী সোধা ঘৰটো থাকে। ই দুচলীয়াকৈ সজা হয়। বিভিন্ন প্রয়োজন অনুযায়ী বৰঘৰ, সৰুঘৰ, পাকঘৰ, ভঁৰালঘৰ, ঢেঁকীশাল, গোহালি ঘৰ, তাঁতশাল আদি ঘৰ থকাৰ উপৰিও মুছলমান সমাজত ৰাজহুৱাকৈ প্রার্থনা কৰা 'মছজিদ' ঘৰ একোটাকৈও থাকে। ঘৰবোৰৰ নির্মাণ আৰ্হি ভাটিৰ মোগলাই আৰ্হিৰ আছিল যদিও বর্তমান সময়ত হিন্দু-মুছলমানৰ সম্প্রীতিৰ ফলত ঘৰ-দুৱাৰৰ আকৃতিৰ ৰূপ সলনি হোৱাটোপৰিলক্ষিত হয়।পুৰণি নামঘৰ বা সত্রৰ দুচলীয়া ঘৰৰ আৰ্হি মুছলমানৰ ঘৰৰ আৰ্হিৰ সৈতে একাকাৰ। দুচলীয়া ঘৰটোৰ মাজৰ অংশ স্বাভাৱিকভাবেই কিছু ওপৰলৈ উঠা। ঘৰৰ বেৰবোৰ সাধাৰণতে ইকৰা, খাগৰি, বাঁহ-খেৰ, কাঠ আদিৰে নির্মিত হয়। অৱশ্যে আজিকালি লোক স্থাপত্য শিল্পৰ বয়বস্তু আৰু নির্মাণ কৌশল সলনি হৈছে। ৰুদ্রসিংহই পোনপটীয়াকৈ মোগল উপাদান আহৰণ কৰিবলৈ প্রয়াস কৰিছিল। গদাধৰ সিংহই তেওঁৰ ৰাজত্ব কালত ৰূপাই গৰীয়া আৰু দাধৰাইক ৰাজবিষয়া হিচাপে নিযুক্তি দিছিল আৰু মুছলমানক মঠ-মন্দিৰ আদিৰ পাইক হিচাপে নিয়োগ কৰিছিল। মোগল বাদছাহৰ ঘৰৰ পৰা আহোম স্বর্গদেউৰ ৰাজকাৰেঙলৈ অহা সমলবোৰ সময়ত লাহে লাহে অসমৰ বিভিন্ন ঠাইলৈ বিয়পি পৰা পৰিলক্ষিত হ'ল। ঘাইকৈ ইয়াৰ প্রবাহিত সময় অষ্টাদশ শতিকা হিচাপে বিশেষ উল্লেখনীয়। অসমৰ স্থাপত্যৰ আৰ্হি থলুৱা অসমীয়া হ'লেও তাৰ দুৱাৰ-খিৰিকীবোৰ মোগলাই আৰ্হিৰ চানেকি বিদ্যমান। হিন্দু সমাজৰ পুথি পঢ়া (ধর্মীয় গ্রন্থ) প্রথাটোও মুছলমানসকলৰেই অৱদান।

অসমীয়া সংস্কৃতিৰ লোক আভৰণ অর্থাৎ সাজ-পাৰ আৰু আ-অলঙ্কাৰৰ ক্ষেত্রত মুছলমানসকলৰ প্রভাৱ সুস্পষ্ট। মুছলমানৰ সাজ-পাৰ আৰু আ-অলঙ্কাৰৰ কলা-কৌশল, নির্মাণ আৰু আকাৰ-আকৃতিৰ আৰ্হিত অসমীয়া সাজ-পাৰ আৰু আ-অলঙ্কাৰ তৈয়াৰ কৰা পৰিলক্ষিত হৈছে। মোগল ৰজাঘৰীয়া নানা সামগ্রী অর্থাৎ সাজ-পোছাক আৰু আ-অলঙ্কাৰ আহোম ৰাজকাৰেঙতো প্রচলন হৈছিল। অসমৰ সূত্রধাৰী নৃত্য থলুৱা সংস্কৃতিৰ এক বিশেষ নিদর্শন। কিন্তু এই নৃত্যৰ যিটো পোছাক তাতো মোগল সংস্কৃতিয়ে বোল সানিলে। সূত্রধাৰী নৃত্যৰ সূত্রধাৰে ব্যৱহাৰ কৰা চাপকন আৰু মূৰৰ পাগটোত মোগল পোছাকৰ যথেষ্ট সাদৃশ্য দেখা যায়। স্বর্গদেউ ৰুদ্রসিংহই উত্তৰ ভাৰতৰ পৰা অনা আঠঘৰ মুছলমানৰ ভিতৰত দর্জী আৰু জোলা নামৰ খেলো আছিল। স্বর্গদেউ ৰুদ্রসিংহই মুছলমানসকলৰ 'পাগ-জামা' পিন্ধি অসমৰ কোটিকলীয়া ৰাজপোছাকৰো পৰিবর্তন কৰিলে। ইয়াৰ উপৰিও ডা-ডাঙৰীয়াসকলকো পাগ-জামা উপহাৰ দিছিল। এই পাগ-জামা আহোম ৰজাঘৰেদি প্রৱেশ কৰি আহি সত্র-সভাৰ নটুৱা-ভাৰৰীয়াসকলৰ গাত জিলিকিছিল। এই দর্জীসকলেই অসমীয়া সর্বসাধাৰণ প্রজাক চৌগা-চাপকন, কুর্তা-পায়জামা চিলাই দিয়াত এইবোৰ অসমীয়া সাজ-পোছাক ৰূপে অসমত বিয়পি পৰিল আৰু স্বর্গদেউ ৰুদ্রসিংহই যে উত্তৰ ভাৰতৰ পৰা দর্জী অসমলৈ আনিছিল, সেয়া প্রামাণিক

সাক্ষ্য হিচাপে শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক চান্দসাই নামৰ এজন দৰ্জীৰ কথা উল্লেখ কৰিব পাৰি। তেওঁ শঙ্কৰদেৱৰ শিষ্যত্বও গ্ৰহণ কৰিছিল। অষ্টাদশ শতিকাত মোগল বাদশ্বাহৰ ঘৰৰ পৰা আহোম স্বৰ্গদেৱৰ ঘৰলৈ অহা বখিয়া, আস্তাৰ, আস্তিন, বেফু, অঙ্গস্তান আহি অসমীয়া সমাজত প্ৰচলন হ'ল। অসমীয়া শিপিনীৰ বিহা কাপোৰত এই সময়ছোৱাত গুণাৰ বনকৰা আৰ্হি সলনি হয়। ৰাজঘৰীয়া জোলাতাঁতীৰ কাপোৰৰ চানেকি চাই ডা-ডাঙ্গৰীয়াৰ ঘৰতো কাপোৰ ব'বলৈ আৰম্ভ কৰে। উল্লেখযোগ্য যে এই শতিকাৰ আগলৈকে মুছলমান তিৰোতাই গুণাৰ বনকৰা কাপোৰ বৈ অৰ্থ উপাৰ্জন কৰিছিল। অসমীয়া সমাজত নাৰীয়ে ব্যৱহাৰ কৰা শাৰী মুছলমানসকলৰ পৰাই আহিছে।

অসমীয়া সমাজত ব্যৱহাৰ হোৱা আ-অলঙ্কাৰে সেই জাতিটোৰ সৌন্দৰ্য্য চেতনা আৰু শিল্পীসুলভ মানসিকতাৰ পৰিচয় দিয়ে। মুছলমানী সাজ-পোছাকৰ লগে লগে আ-অলঙ্কাৰৰ নানা সামগ্ৰী অসমীয়া সমাজলৈ আহিল। কেৱল মুছলমানৰ জৰিয়তেই যে আ-অলঙ্কাৰ অসমীয়া সংস্কৃতিলৈ আহিল তেনে নহয়; আহোম ৰজা প্ৰতাপ সিংহৰ দিনত সোণাৰি জয়হৰি আৰু নৰহৰি নামৰ অসমীয়া মুদৈয়ে ঢাকাৰ নৱাবৰ অনুমতি লৈ অসমৰ বাহিৰত বেপাৰ-বাণিজ্য কৰিছিল। তেওঁলোকৰ জৰিয়তেও মুছলমান সামগ্ৰী আমাৰ ইয়ালৈ আমদানি হৈছিল। বৰ্তমান অসমীয়া সমাজত ব্যৱহাৰ হোৱা কাণফুল, নাকফুল, হাতত ৰূপৰ বা সোণৰ খাৰু, সোণ বা ৰূপৰ আঙঠি, ডিঙিত পিন্ধা গলপতা বা মালা, বাহুত পিন্ধা বাজু, কঁকালত পিন্ধা কৰধ্বনি, ভৰিৰ পায়েল ইত্যাদি আ-অলঙ্কাৰৰ প্ৰচলন ইছলামীয় সমাজৰ পৰাই আহিছে। ইয়াৰ উপৰি বাখৰযুক্ত অলঙ্কাৰ আৰু নিমাৰ কাৰু-কাৰ্যও ইছলামীয় সমাজৰ পৰাই আহি অসমীয়া সংস্কৃতিৰ আ-অলঙ্কাৰৰ স্বকীয় ৰূপ পৰিগ্ৰহণ কৰিছে। অসমীয়া মহিলাই এই কাৰু-কাৰ্য খোদিত আ-অলঙ্কাৰবোৰ পিন্ধি সৌন্দৰ্য চেতনাৰ পৰিচয় দি আহিছে।

অসমীয়া জাতীয় জীৱনলৈ মুছলমানসকলৰ খাদ্যাভ্যাস আৰু ৰন্ধন প্ৰণালীৰ প্ৰভাৱো কম নহয়। মুছলমান সমাজৰ খোৱা-বোৱা আৰু ৰন্ধন প্ৰণালীৰ পৰম্পৰা অসমীয়া সমাজে দ্বিধাহীনভাবে অতি সহজেই গ্ৰহণ কৰিলে। ঘিউৰ গন্ধ ল'ব নোখোজা অসমীয়া সমাজত মুছলমানৰ প্ৰভাৱতে অসমীয়া 'খানা পিনা'ত পোলাও, কোৰ্মা, ছেৱাই, কোপ্তা, কাবাব আদি সোমাই পৰিল আৰু মুছলমান সমাজতো খাৰণি, খৰিচা, খাৰ-খাৰনি, কোমল চাউল, সান্দহ আৰু নানা ধৰণৰ পিঠাপনা ব্যৱহাৰ হ'ল। অসমীয়া মুছলমান সমাজৰ আটাৰ ৰুটি আৰু অসমীয়া সমাজৰ পৰিচিত হৈ পৰিল। মাছ-মাংসৰ বিভিন্ন ধৰণৰ জুতিলগা খাদ্যসম্ভাৰ আৰু ৰন্ধন প্ৰণালীও অসমীয়া সমাজত অতি প্ৰিয় হৈ পৰিল। অসমীয়া ৰন্ধন প্ৰণালীত ব্যৱহাৰ হোৱা জ্বলা-মছলা আদিৰ প্ৰয়োভৰ বাঢ়িল। গাখীৰৰ

খীৰ, খীৰৰ লাৰু, পায়স, ছিন্নি আদি অসমীয়া সমাজৰ অতি প্ৰিয় খাদ্য হৈ পৰিল।



চিন্তা-চৰ্চা কৰক ৭.১

অধিক জানিবলৈ উল্লেখ থকা কিতাপসমূহৰ সহায়েৰে মুছলমানী সাজ-পোছাক, আ-অলঙ্কাৰ, খাদ্যাভ্যাস আৰু ৰন্ধন প্ৰণালীৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা লিখক।

৭.৩.৩ সামাজিক লোকাচাৰ

অসমীয়া লোক সংস্কৃতি এটা বিশেষ বিভাগ হ'ল সামাজিক লোকাচাৰ। সামাজিক লোকাচাৰৰ অন্তৰ্গত একো একোটা ভাগ হৈছে— উৎসৱ-পাৰ্বণ, পৰম্পৰাগত খেল-ধেমালি, লোক ঔষধ বা বেজালি আৰু লোকধৰ্ম।

ইছলাম ধৰ্মীয় উৎসৱ-পাৰ্বণবোৰে অসমীয়া সংস্কৃতিৰ প্ৰসাৰণৰ দিশত বিশেষ অৰিহণা যোগাই আহিছে। সামাজিক লোকাচাৰৰ যিবিলাক উৎসৱ-পাৰ্বণত শাস্ত্ৰীয় বিধি-বিধান বিশেষ নাথাকে বা থাকিলেও সেইবোৰ গৌণ; য'ত পৰম্পৰাগতভাবে চলি অহা লৌকিক ৰীতি থাকে তেনে উৎসৱ-পাৰ্বণক লোক উৎসৱ বুলি কোৱা হয়। যেনে ঃ ঈদ মেহফিল, ফাতেহা-দোৱাজ দহম, ধৰ্মীয় আলোচনা সভা ইত্যাদি। আনহাতে সংস্কাৰমূলক উৎসৱ-পাৰ্বণসমূহত শাস্ত্ৰীয় বিধান ব্যৱস্থা জড়িত হৈ থাকে। এনে উৎসৱ-অনুষ্ঠানবোৰৰ মাজত বিবাহ বা নিকাহ, ঈদ-উল-ফিতৰ, ইদু-জ্জোহা, মহৰম, ছৱেকদৰ, ছৱে বৰাত আদি অন্যতম। বিবাহ বা নিকাহ ইছলামীয় শাস্ত্ৰ (কো�ৰাণ)ৰ নীতি-নিয়মৰ মাজেৰে সম্পন্ন কৰা হয়; যদিও পৰম্পৰাগত লোকাচাৰেই নিকাহ অনুষ্ঠানৰ লগত জড়িত হৈ থাকে। ঋতুকালীন অৰ্থাৎ আৰবী মাহৰ জোন (চন্দ্ৰ) অনুযায়ী অনুষ্ঠিত হোৱা উৎসৱসমূহ হৈছে— ঈদ-উল-ফিতৰ, ঈদুজ্জোহা, মহৰম, চবেকদৰ, চবেবৰাত আদি। যেনেদৰে অসমৰ জাতীয় উৎসৱ বিহুত সকলোৱে ভাগ লয়; তেনেহৰে মুছলমানসকলৰ ঈদ-উল-ফিতৰ উৎসৱতো অন্য লোকসকলে সহমত প্ৰকাশ কৰা দেখা পোৱাৰ লগতে ইজনে-সিজনক ঈদ-মোবাৰক যচা পৰিলক্ষিত হয়। ঈদ-উল-ফিতৰ উপলক্ষে আয়োজিত ভিন্ন উৎসৱত অন্যান্য ধৰ্মাৱলম্বী লোকসকলেও অংশগ্ৰহণ কৰি সম্প্ৰীতিৰ ভাব প্ৰকাশ কৰি আহিছে। ব'হাগ বিহুত গৰুত গা ধুৱাৰ প্ৰণালীৰে মুছলমান সমাজতো ঈদৰ দিনা গা ধুৱাই মাহ-হালধী দিয়া পৰম্পৰা মুছলমান লোক সমাজত প্ৰচলিত আছে। ইয়াৰ উপৰি পথাৰত শস্য অৰ্থাৎ ধান সিঁচিবৰ কাৰণে প্ৰথম দিনাই মাঙ্গলিক পূৰ্ব আৰু শস্য চপোৱাৰ শেষতো এনে অনুষ্ঠানৰ আয়োজন কৰা হয়। মহহো (মাগন) গোৱা পৰম্পৰাও মুছলমান-সকলৰ মাজত প্ৰচলিত আছে।

অসমৰ অসমীয়া মুছলমানসকল অসমীয়া জাতিসত্তাৰ এক অবিচ্ছেদ্য অংগ।

তেওঁলোকৰ গাত থলুৱা সামাজিক প্ৰভাৱ ইমান গভীৰ যে ধৰ্মই তাক উটুৱাই নিব পৰা নাই যদিও শুকুৰবাৰে জুম্মা নামাজৰ পিছত ছিন্নি, বুট-মাহ, পায়স আদি দিয়া, মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে তিনিদিনীয়া, দহদিনীয়া, ত্ৰিশদিনীয়া, চল্লিশদিনীয়া অনুষ্ঠান, মন্ত্ৰ, জৰা-ফুকা কৰা ৰীতি বৰ্তমানেও চলি আহিছে। অসমীয়া সমাজৰ লোকাচাৰত সন্নিৱিষ্ট হোৱা ভালেমান মন্ত্ৰৰ ভাষা আৰু বিষয়বস্তু লক্ষ্য কৰিলে দেখা যায় মন্ত্ৰবোৰ মুছলমান মানুহৰ অৱদান আছে। সেইকাৰণেই বোধহয় মুছলমান পীৰ বা আউলিয়া দৰগাহতো হিন্দুৱে চাকি-বত্তি জ্বলায়।

মহৰম আৰবীয় বছৰৰ প্ৰথম মাহ 'মহৰম' শব্দৰ অৰ্থ 'বিলাপ'। কাৰবালাৰ ৰণক্ষেত্ৰত মহৰমৰ দশম দিনা এজিদৰ লগত যুদ্ধ কৰি হাছান-হুছেনে কৰুণ মৃত্যু সাবটি লয়। এই মহৰম পৰ্ব সেই শোকেৰেই স্মৃতিচাৰণ। মহৰমত মুছলমানসকলে ঢাল-তৰোৱালেৰে যুদ্ধ কৰি হাছান-হুছেনৰ কাৰণে বিশেষভাবে বিলাপ কৰে আৰু এক শ্ৰেণীৰ লোকে কৰুণ ৰসসিক্ত গীত গায়।

অৱসৰ বিনোদনৰ লগতে আমোদ-প্ৰমোদ আৰু উৎসাহ-উদ্দীপনাৰ কাৰণে সমাজত খেল-ধেমালিৰ আৱশ্যক। ইয়াৰ উপৰিও কিছুমান খেল-ধেমালিয়ে মানুহক শক্তিমান, কৰ্মপ্ৰৱণ আৰু প্ৰতিযোগী কৰি তোলে। পৰম্পৰাগত খেল-ধেমালি সামাজিক লোকাচাৰৰেই এটি অংগ। এই পৰম্পৰাগত খেল-ধেমালিৰ ওপৰত মোগলসকলৰ প্ৰভাৱ যথেষ্ট। মোগল-পাঠানসকলৰ ৰাজসভাত অনুষ্ঠিত হোৱা কড়ি খেল, চিলা উৰোৱা খেল, লাটুম ঘূৰোৱা খেল আদি খেল-ধেমালিবোৰ অনায়াসে অসমীয়া সামাজিক খেল-ধেমালিৰ অন্তৰ্গত হৈ পৰে। আনন্দ-বিনোদনৰ উপৰিও এই খেলসমূহ প্ৰতিযোগিতাৰূপেও অনুষ্ঠিত কৰা হয়। সামাজিক লোকাচাৰৰ অন্তৰ্গত লোক ঔষধ আৰু লোক চিকিৎসাবোৰেও অসমীয়া সমাজত প্ৰভাৱ পেলাই আহিছে। লোক সমাজত মুছলমানসকলৰ গছ-বৃক্ষ, তৰু-লতা, ফল-ফুল, পাত, ছাল, শিপা আদিৰ ব্যৱহাৰে ৰোগ নিৰ্ণয়ৰ ব্যৱস্থা চলি আহিছে। সাধাৰণতে পানী জৰা, আদা, সৰিয়হ, নহৰু, ধনিয়া, জালুক, আমলখি, শিলিখা আদি মুছলমান কবিৰাজসকলে জৰা-ফুকা কৰি দিয়া লোকাচাৰত ব্যৱহাৰ হৈ আহিছে। মুঠতে ইছলামীয় সংস্কৃতি অসমীয়া ব্যৱহাৰিক জীৱনত জীণ গৈছে। তন্ত্ৰ-মন্ত্ৰ, বেজ-বেজালি, মাৰৈ পূজা আদি ধৰ্মীয় লোকাচাৰৰ কেতবোৰ বিষয়ত অৱশ্যে ইছলামীয় উপাদানৰ অস্তিত্ব ওলাই কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সামাজিক লোকাচাৰৰ অন্তৰ্গত বিষয়সমূহৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চর্চা কৰক ৭.২

অধিক জানিবলৈ তলত থকা কিতাপসমূহৰ জৰিয়তে মুছলমান সমাজত প্রচলিত খেল-ধেমালি আৰু লোক চিকিৎসাসমূহৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

৭.৩.৪ লোক-পৰি�ৱেশ্য কলা

অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ মুছলমান আগমনৰ জৰিয়তে পৰিপুষ্ট হৈছিল। ঐতিহাসিকভাবে ত্রয়োদশ শতিকাৰ প্রথম দশকতে মুছলমানসকলৰ অসমলৈ আগমন হয়। তেতিয়াৰ পৰাই অসমীয়া জনজীৱনত নতুন নতুন কিছুমান সামগ্রী, আদৰ-কায়দা, সাজ-পোছাক, আ-অলঙ্কাৰ, স্থাপত্য বিদ্যা, খোৱা-বোৱা, খেল-ধেমালি, চিত্র-কলা আদিৰ উপৰিও বাদ্য-যন্ত্র, সঙ্গীত কলা অর্থাৎ পৰিৱেশ্য কলাৰ প্রচলন এই অসমত হ'ল আৰু উদাৰ অসমীয়া জাতিয়েও এইবোৰক আদৰি নিজৰ মাজত ঠাই দিলে।

গীত, নৃত্য আৰু অভিনয়ৰ জৰিয়তে পৰিৱেশন কৰা লোককলাসমূহকেই লোক-পৰিৱেশ্য কলা বুলি কোৱা হয়। এই লোক পৰিৱেশ্য কলাৰূপে পৰিচিত হ'বলৈ ব্যক্তি বা দলৰ দ্বাৰা লোকবাদ্য, লোক আভৰণ আদিৰ সৈতে পৰিৱেশন কৰা হ'ব লাগিব।

আহোম ৰজা প্রতাপ সিংহৰ দিনত প্রথম মুছলমান সদাগৰ ৰতনচাহ অসমত প্রৱেশ কৰাৰ লগে লগে বহুতো বিদেশী সামগ্রী প্রচলন হৈছিল। ইয়াৰ পিছত মোগল আহোমৰ যুদ্ধ হোৱাত ভালেমান মোগলৰ সামগ্রী অসমীয়াই গ্রহণ কৰে। এই সামগ্রী-সমূহৰ ভিতৰত সঙ্গীত-কলা, বাদ্য-যন্ত্র, নাট্যাভিনয়-যন্ত্র আদিও যথেষ্ট আছিল।

বাদ্যযন্ত্র আৰু সঙ্গীত কলাত মুছলমানৰ অৱদান যথেষ্ট। ফর্মুদ আলী কন্দর্পেশ্বৰ সিংহৰ ৰজাঘৰীয়া গায়ন-বায়নৰ ওপৰত ওজা আছিল। ফর্মুদ আলীয়ে ৰজাঘৰৰ কুঁৱৰী-সকলক সঙ্গীত শিকাইছিল। কেৱল সংগীতেই নহয় বেহেলা বাজনাও শিকাইছিল। অসমীয়া সঙ্গীত জগতত কাৱালী, খেয়াল, গজল আদি মুছলমানসকলৰ যোগেদিয়েই প্রৱেশ কৰিছিল।

৭.৩.৫ ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান

সংস্কৃতিৰ মাজেৰে কোনো এটা জাতিৰ জাতীয় জীৱন প্রাণ পাই উঠে বা প্রতিভাত হয়। এই জাতীয় জীৱনত প্রতিভাত হোৱা সংস্কৃতিত কেইবাটাও দিশ থাকে আৰু এই দিশসমূহ বিভিন্ন জাতিৰ সাহিত্য, সভ্যতা আৰু ভাষা-ভাষী লোকৰ সংমিশ্রণ হৈ পৰে। এনে সংমিশ্রণৰ ফলতেই এটা জাতিৰ সাহিত্য, কলা-কৃষ্টিৰ পৰিসৰ বৃদ্ধি পায় আৰু জাতীয় ভাষাৰ গাঁথনি পুষ্ট হয়, কিয়নো ভাষা-সাহিত্যই হ'ল সংস্কৃতিৰ মূল

ভেটি স্বৰূপ।

অসমলৈ মুছলমানসকলৰ আগমন হোৱাৰ লগে লগেই ইয়াৰ থলুৱা লোকৰ লগত অতি ওচৰ সম্বন্ধ এটা স্থাপন হৈছিল। ঐতিহাসিক দৃষ্টিৰ ফালৰ পৰা দেখা যায় যে ত্রয়োদশ শতিকাৰ প্রথম দশকত মুছলমানসকল অসমলৈ আহে আৰু তেতিয়াৰ পৰাই অসমীয়া জাতীয় জীৱনত নতুন নতুন সামগ্রীৰ লগতে ভাষা-সাহিত্য, সাজ-পোছাক, কলা-সঙ্গীত, বাদ্য-যন্ত্র, লোক আভৰণ, খাদ্যাভ্যাস অসমত প্রচলন হ'বলৈ আৰম্ভ কৰে। উদাৰ অসমীয়াই এই আটাইবোৰ বিনাদ্বিধাই নিজৰ কৰি আদৰি ল'লে। উল্লেখনীয় বিষয় যে অসমীয়া ভাষা-সাহিত্যত বিনাদ্বিধাই উর্দু, ফাৰ্চী, আৰবী ভাষাৰ হাজাৰ-বিজাৰ শব্দ অসমীয়া ভাষা-সাহিত্যৰ মাজত সুমুৱাই লৈ শক্তিশালী অসমীয়া ভাষাৰ পৰিচয় দিছে। মুছলমানসকলৰ অসম আক্রমণৰ লগে লগে নিগাজীকৈ অসমত বসতি কৰিবলৈ লোৱাৰ পৰাই বহুতো আৰৰী-ফাৰ্চী ভাষাৰ শব্দ স্বাভাৱিকভাবে অসমীয়া ভাষাত প্রৱেশ কৰে। ইয়াৰ সাক্ষ্য হিচাপে আমি হেম সৰস্বতীৰ ৰচিত *প্রহ্লাদ চৰিত*ত ব্যৱহাৰ হোৱা 'নফৰ' শব্দৰ উল্লেখ কৰিব পাৰো। এইটোৱেই হ'ল অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ফাৰ্চী-আৰৰী ভাষাৰ শব্দৰ প্রথম নিদর্শন।

সপ্তদশ-অষ্টাদশ শতিকাত ৰজাঘৰীয়া চিঠি-পত্রৰ আদান-প্রদানৰ ফলতো অসমীয়া ভাষা-সাহিত্যত অনেক আৰবী-ফাৰ্চী শব্দৰ প্রয়োগ হৈছে। স্বর্গদেউ ৰুদ্রসিংহৰ দিনত দেশ গঢ়িবলৈ ৰজাই ভাটিৰ পৰা অনা আঠঘৰ মুছলমানৰ ভিতৰত ফাৰ্চী পৰীয়া আৰু আখৰ কটীয়াৰ খেলৰ নাম উল্লেখনীয়। ৰজাঘৰীয়া বার্তাবোৰ বিদেশলৈ পঠোৱা আৰু সেই পত্রবোৰ পঢ়ি অসমীয়াত বুজাই দিয়াৰ উপৰিও আখৰকটা লোকসকলক নিষ্পিখেৰাজ আৰু লাখেৰাজ মাটিৰ কাৰণে শিল বা তামৰ ফলিত আখৰ কাটিবলৈ নিয়োগ কৰিছিল।

আহোম শাসন কালছোৱাত লিখা বুৰঞ্জী আৰু মোগল সম্রাটসকললৈ লিখা চিঠি-পত্রতো ফাৰ্চী-আৰবী ভাষাৰ শব্দ ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰিও ইংৰাজৰ ৰাজত্ব কালত বিচাৰালয়সমূহত আৰবী-ফাৰ্চী শব্দ ব্যৱহাৰ কৰাৰ ফলস্বৰূপে তেনে শব্দ অসমীয়া ভাষা-সাহিত্যৰ ঘৰুৱা শব্দ যেন হৈ পৰিছে। ফাৰ্চী-আৰবী ভাষাৰ শব্দসমূহ উল্লেখ কৰা হ'ল—

ক) **ৰজা, বিষয়া, ৰাজসন্মান বিষয়ক শব্দ ঃ** আমিৰ, উজিৰ, বাদচাহ/বাদশ্বাহ, নবাব, চুলতান, দেৱান, বাহাদুৰ, তালুকদাৰ, তহচিলদাৰ, জমিদাৰ, চুবেদাৰ, চর্দাৰ, হাকিম, দাৰোগা, খলিফা, মুঞ্চি, পেচকাৰ, চাপ্রাচি, দাৰোৱান, উকীল, দপ্তৰি, হুজুৰ, মালিক, চাকৰ, বেগম, বিবি ইত্যাদি।

খ) **শাসন আৰু আইন সম্পর্কীয় শব্দ ঃ** তালুক, আইন-কানুন, আদালত, দলিল, দর্খাস্ত, এজাহাৰ, জাৰি, মালিচ, মোকর্দমা, বাজেয়াপ্ত, হাজত, বর্খাস্ত, ইস্তফা, দফা, কৈফিয়ৎ, খাৰিজ, মৌজাদাৰী, খানাতালাচ, ফয়চলা, হক, খুনি, মজুৰ, দস্তুৰ, হাজিৰ, হিচাপ-

নিকাচ, গোমোস্তা, কয়দীখানা, ৰচিদ, জৰিমনা, পৰোৱানা, নজৰবন্দী, আবকাৰি, আমদানি, দৰমহা, দাগ, দাগী, ৰায়ত, চৰজমিন, বৰাবৰ, বাহাল, লাখেৰাজ, কাৰচাজি, নাৰাজ, বন্দৰস্ত, বকছীছ, লেফাফা ইত্যাদি।

গ) **খাজনা সম্পৰ্কীয় ঃ** খাজনা, আবাদ, এক্তিয়াৰ, ওৰাচিন, তহবিল, জমা, নাজিৰ, জৰীপ, বন্দবস্ত, জমাবন্দি, চিঠাবন্দি, মাচুল, মালখানা, এজামিল, কিস্তি, এলেকা, খাৰিজ, মালি, খৰচ, কেৰেয়া ইত্যাদি।

ঘ) **যুদ্ধ সম্বন্ধীয় শব্দ ঃ** ফৌজ, চিপাহী, হাবিলদাৰ, গোলা-বাৰুদ, কামান, বন্দুক, তীৰ, টোপ, কুচ-কাৰাজ, কাচোৰান, চাবুক, লাগাম, নল, কোঁৰাৰ, জিন ইত্যাদি।

ঙ) **ব্যৱসায় সম্বন্ধীয় শব্দ ঃ** দোকান, দোকানদাৰ, খৰিদ, খৰিদ্দাৰ, দালাল, জল্লাদ, কচাই, কলাই, মিনা, মিস্ত্রি, চিকাৰী, কাৰিকৰ, ৰোজকাৰ, কাৰবাৰ, দর্জ্জি, আস্তিন, জেপ, লোকচান, পাইকাৰী, ৰেহাই, নগদ, সুত, ৰচিদ ইত্যাদি।

চ) **ধর্মৰ সৈতে সম্পর্কিত শব্দ ঃ** খোদা, আল্লাহ, ইছলাম, মুছলমান, আউলিয়া, ঈদ, ইমাম, নামাজ, মছজিদ, কোৰবানী, কবৰ, দিনএলাহী, কলিমা, কোৰাণ, খালিফা, মহৰম, তাজিয়া, চৈয়দ, মহম্মদ, চুন্নৎ, তাবিজ, নবী, নিকা, পীৰ, পয়গম্বৰ, মোবাৰক, মৌলবী, জনাব, ৰোজা, ৰচুল, দোজখ, গুণাহ, ফিৰিস্তা, দৰগাহ, মাজাৰ, দুনিয়া, ইজ্জত, খতম, ছালাম, নজৰ, হাৰামী ইত্যাদি।

ছ) **শিক্ষা, সাহিত্য-সংস্কৃতি সম্পৰ্কীয় শব্দ ঃ** কাগজ, কলম, কিতাপ, চিয়াঁহী, দোৱাত, হৰফ, তর্জমা, মছলিম, চছমা, চেতাৰ, তবলা, ৰবাব, চানাই, তানপুৰা, শাৰোদ, কাৱালি, খেয়াল, গজল, ওস্তাদ, আর্চি ইত্যাদি।

জ) **কাপোৰ-কানি সম্পৰ্কীয় শব্দ ঃ** বোর্খা, পর্দা, গলবস্ত্র, লুঙ্গী, টাৱেল, নিমা, কামিজ, চালোৱাৰ, জামা, ফটুৱাই, পায়জামা, মোজা, মখমল, গালিচা, চামিয়ানা, পিৰন, কুর্তা, চাদৰ, তোচক, লেপ, দলিচা, বালিছ, পানা, পছমী, বখিয়া, আস্তৰ, আস্তিনা, ৰেফু, গিৰা, অঙ্গস্তান ইত্যাদি।

ঝ) **খাদ্য সম্পৰ্কীয় শব্দ ঃ** খানচামা, খাচি, নাস্তা, কোর্মা, কালিয়া, কোপ্তা, কাবাব, পোলাও, বিৰিয়ানি, হালোৱা, বৰফ, বৰফি, বালুচাহি, গজা, জেলেপি, পেৰা, চর্বত, চাজি, চাপতি, ময়দা, বেচন, মচলা, আছুৰ, বাদাম, খুৰমা, কিচমিচ, মনক্কা, খোৱানি, চালগোম, নহৰু, তৰমুজ, গাজৰ, হোক্কা চিলিম, কোপতা, চাটনি, তর্মুজ, নাচপতি ইত্যাদি।

ঞ) **বিলাসৰ সামগ্রী জাতীয় শব্দ ঃ** আইনা, আতৰ, আৰক, আতবাজী, চছমা, জোতা, গোলাবজল, নলিচা, ইজাৰবান্ধি, পিকদানী, আতৰদানী, গালিচা, চামিয়ানাৰ ইত্যাদি।

ট) **গালি-শপনি সম্পৰ্কীয় শব্দ ঃ** বদমাইচ, বেইমান, বেইজ্জাত, হাৰামখোৰ, হাৰামজাদা, পাজি, চয়তান, খচ্ছৰ, হাৰামী, কুত্তা, গুণ্ডা, মোনাফিক, বক্‌খিল ইত্যাদি।

ঠ) **খেল-ধেমালি, বাদ্য-যন্ত্র সম্পৰ্কীয় শব্দ ঃ** তাচ, কুস্তি, পালোৱান, পাঞ্জা, ওস্তাদ,

বেতাৰ, সৰোদ, নেগেৰা, ঠুৰৰি, টপ্পা, গিলিতা ইত্যাদি।

ড) **অন্যান্য শব্দ ঃ** বদনা, বোলোৱাৰী, ডেক্‌চি, চামুচ, পিয়লা, মহল, মঞ্জিল, দালান, হাউলি, বুনিয়াদী, মিনাৰ, দর্জা, পুল, চালামি, আৰৱ, ইহুদী, কাৰখানা, গৰজ, জানোৱাৰ, জাহাজ, দখল, নগদ, পছন্দ, মজবুত, মুলুক, ৰকম, হজম, খিয়াল, আপচোচ, কদৰ, মৎলব, ফিকিৰ, তাৰিফ, বাহাৰ, ইচাৰা, বদমাচী, চালাকী, দগাবাজী, খুচী, নামঞ্জুৰী, নকলী, তেজী, তফা, আৱাজ, আস্তে আস্তে, আন্দাজ, ইয়াদ, খুন, খুছী, খোৰাক, খানছামা, গৰম, গোলাপ, ছফৰ, ছৰম, ছৰদাৰ, জখম, জেদী, তর্জু, দর্জী, দস্তুৰ, দানা, ফৰমাছ, বেহুছ, মজা, মছলা, মোহৰ, মেতৰ, লেকাম, খাতিৰ, গৰজ, জিম্মা, তদাৰক, জৰুৰ, তাবিজ, দোৱাত, নজৰ, নিচা, ফচল, বাবা, বাবদ, মূৰব্বী, মছফিল, মেজাজ, মেহনত, ৰায়ত, ৰাজী, হজ, হাজিৰা, হাইৰান ইত্যাদি।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ফার্চী-আৰবী ভাষাৰ নতুন ঠাঁচৰ কিছুমান শব্দ হৈছে— দম বাহিৰ হোৱা, দিলত হাত দিয়া, খুন কৰ, খতম কৰ, আৱাদ দে, দিল দেখুওৱা, জান দে, কচম খা, নজৰ লাগ, জান বাহিৰ হ, জবাব দে, জবান দে, জব্দ কৰ, তকদিৰ খা ইত্যাদি।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ফার্চী-আৰবী প্রত্যয় শব্দ কিছুমান হৈছে—

কম ঃ কম-জোৰ, কম-খৰচ

দৰ ঃ দৰ-দাম, দৰকাৰ

বদ ঃ বদ-নাম, বদ-হজম, বদ-মেজাজ

বে ঃ বেইমান, বেকায়দা, বেআইন, বেহিচাব

গৰ ঃ গৰমিল, গৰহাজিৰা, গৰপাত্তা

হৰ ঃ হৰ-দম, হৰ-ৰোজ, হৰকিচিম

খোৰ ঃ সুদ-খোৰ, ঘোচ-খোৰ, গাজা-খোৰ, হাৰাম-খোৰ

বাজ ঃ দগাবাজ, দাপ্পাবাজ, ফাঁকিবাজ

দানি ঃ ফুলদানি, পিকদানি, পা-দানি ইত্যাদি।

ভাষা হিচাপে আৰবী, ফার্চী, উর্দু ভাষাৰ মূলৰ লগত মিল থকা কিছুমান শব্দ অসমীয়া ভাষাত অনায়াসে পোৱা যায়, সেইবুলি ইয়াক ধর্মীয় প্রভাৱ বা ধর্মীয় বৰঙণি বুলি কোৱা জটিল।

ধর্মীয় দৃষ্টিৰে চালে দেখা যায় যে এই শব্দবোৰ ধর্মৰ প্রভাৱৰ পৰা আমাৰ মাজলৈ অহা নাই। সপ্তদশ-অষ্টাদশ শতিকাত ৰজাঘৰীয়া ভাব-চিন্তাৰ আদান-প্রদানৰ চিঠি-পত্রৰ যোগেদি আৰম্ভ হৈছিল আৰু শ শ শব্দ অসমীয়া ভাষা-সাহিত্যত প্রয়োগ ঘটিল। আজান ফকীৰৰ জিকিৰত ব্যৱহাৰ হোৱা শব্দও অসমীয়াত নিভাঁজ হৈ পৰিল। ইয়াৰ উপৰি উত্তৰ ভাৰতৰ পৰা প্রব্রজন হৈ অহা মুছলমান কাৰিকৰ শিল্পীসকলে ব্যৱসায় সংক্রান্তত কিছুমান শব্দ লৈ আহে আৰু অতি সহজেই অসমীয়াত তেনে শব্দবোৰ

আপোন হৈ পৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্মৰ মতত সকলো সম্প্ৰদায়ৰ লোকক স্থান দিয়াৰ ফলত মুছলমান দৰ্জী চান্দসাই গুৰুজনাৰ পৰম ভকত হৈছিল। এই ভকতজনৰ ভকতীয়া গীতবোৰ অসমীয়া সাহিত্যৰ বিশেষ সম্পদ হৈ পৰিল। অসমীয়া সাহিত্যত চুফীবাদৰ প্ৰৱেশ দ্বিজৰামৰ মৃগাৱতী চৰিত্ৰৰ মাজতেই হ'ল। এই মৃগাৱতী চৰিত্ৰৰ অন্য এটি নাম হ'ল চাহাপৰী উপাখ্যান। অসমীয়া কাব্যজগতৰ জ্ঞানমালিনী কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ ঘৰুৱা অসমীয়া শব্দাৱলীৰ মাজেদিয়েই চুফীবাদৰ ভাবধাৰাৰ প্ৰৱেশ কৰিলে। ঘৰুৱা শব্দ আৰু জঁতুৱা ঠাঁচেৰে পৰিপূৰ্ণ *জ্ঞানমালিনী* পুথিখনে অসমীয়া ভাষাৰ স্বকীয়তা প্ৰমাণ কৰিছে বুলি ক'ব পাৰি।

অসমৰ বুকুত মুছলমানসকলে নিজকে জীণ যোৱা আৰু খাপ খোৱাকৈ নিজৰ দেশ বুলি জ্ঞান কৰি অসমীয়া ভাষা-সাহিত্য, সাংস্কৃতিক জগতখনলৈ অপৰিসীম অৰিহণা আগবঢ়াই গ'ল। অসমত মুছলমান তথা ইছলাম ধৰ্মই কেতিয়াও বাধা পোৱা নাছিল। ইয়াৰ মূলতে তেওঁলোকে অসমৰ সামাজিক-সাংস্কৃতিক জীৱনত অনায়াসে সহজ-সৰলভাৱে মিলি গৈছিল। মুঠতে অসমীয়া ভাষা-সাহিত্যত ছাপ মচিব নোৱাৰাকৈ অনেক আৰবী-ফাৰ্চী ভাষাৰ শব্দ আৰু চুফীবাদৰ সাহিত্য থলুৱা ৰূপত অসমীয়া ভাষা-সাহিত্যত ব্যৱহাৰ হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰলৈ মুছলমানসকলৰ অৱদান কি? (২৫০টা শব্দৰ ভিতৰত লিখিব)



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌখিক সাহিত্য লোক জীৱনৰ প্ৰতিচ্ছবি স্বৰূপ। মৌখিক পৰম্পৰাক আশ্ৰয় কৰি এই শ্ৰেণীৰ সাহিত্য প্ৰবাহিত হৈ থাকে।
- অসমীয়া লোক সংস্কৃতিৰ চাৰিটা বিভাগ কৰাৰ দৰে মুছলমানসকলৰ লোক সংস্কৃতিকো চাৰিটা বিভাগত বিভক্ত কৰা হৈছে। বিভাককেইটা ক্ৰমে— মৌখিক সাহিত্য, ভৌতিক সাহিত্য, সামাজিক লোকাচাৰ আৰু লোক পৰিৱেশ্য কলা।
- ভৌতিক সংস্কৃতিৰ বিভিন্ন দিশ— লোক-শিল্প, লোক-কলা, লোক-স্থাপত্য, লোক-ৰন্ধন, লোক-আভৰণ আদিলৈ মুছলমানসকলৰ অৱদান।
- সামাজিক লোকাচৰ, যেনে— উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, বেজ-বেজালি, লোক-

ধর্মলৈ মুছলমানসকলৰ অৱদান।

- লোক-পৰিৱেশ্য কলাত লোক সঙ্গীত, লোক নৃত্য, লোক নাট্য তথা লোক বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ।
- অসমীয়া ভাষা-সাহিত্যলৈ মুছলমানসকলৰ অৱদান।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, লীলা (সম্পা.) (২০০৬); *অসমীয়া সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, প্ৰফুলদত্ত; *অসমীয়া জন-সাহিত্য*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) চৌধুৰী, ধ্ৰুৱজ্যোতি; দাস, অকণ (সম্পা.) (১৯৯৯); *মণিকূট*, অসম সাহিত্য সভা, হাজো, ৬৫তম্ হাজো অধিৱেশন।

৪) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্ৰসংস্কৃতিৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) নেওগ, হৰিপ্ৰসাদ; গগৈ, লীলা (সম্পা.), (২০০৩); *অসমীয়া সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

৭) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৭১); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) (১৯৮৫); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৮২); *লোককৃষ্টিৰ উৎস*, অসম প্ৰকাশন পৰিষদ।

১০) ভট্টাচাৰ্য, বসন্ত কুমাৰ (১৯৯৭); *অসমীয়া লোকগীত সমীক্ষা*, নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়।

১১) শৰ্মা, নবীন চন্দ্ৰ (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১২) শৰ্মাদলৈ, হৰিনাথ (সম্পা.) (২০০৩); *বাৰেৱৰণীয়া অসম*, নলবাৰী ঃ হৰিপ্ৰিয়া লাইব্ৰেৰী।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kr.; *A Cultural History of Assam*, Panbazar, Guwahati: Lawyer's Book Stall.

2) Choudhury, P. C. (1966); *History and Civilization of the People of Assam*, Guwahati.

3) Gait, E. (1963); *A History of Assam*, Thacker, Spink.

4) Kakati, Banikanta (1972); *Assamese Its Formation and*

Development; Panbazar, Guwahati: Lawyer's Book Stall.



৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ৭.৩ শাখাটোৰ কৰা আলোচনাৰ আধাৰত ঐতিহাসিক তথ্যৰ ভিত্তিত উত্তৰটো চমুকৈ সজাই লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ লোক সংস্কৃতিৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ উল্লেখসহ তাৰ চমু আভাস দিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ উপশাখা ৭.৩.৩ৰ আধাৰত সামাজিক লোকাচাৰৰ অন্তর্গত বিষয়সমূহৰ কথা উল্লেখ কৰক।

৪নং প্রশ্নৰ উত্তৰ ঃ মুছলমানসকলৰ মাজেদি অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰত প্রৱেশ কৰা ফাৰ্চী-আৰবী শব্দবোৰ শ্রেণীবদ্ধ ৰূপত উল্লেখ কৰিব।



৭.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'মুছলমান' শব্দটোৰ তাৎপর্য ব্যাখ্যা কৰি অসমলৈ মুছলমানসকলৰ আগমন সম্পর্কে এটি প্রবন্ধ লিখক।

প্রশ্ন ২ ঃ অসমীয়া ভাষা-সাহিত্যলৈ মুছলমানসকলৰ অৱদান সম্পর্কে এটি টোকা বস্তুত কৰক।

প্রশ্ন ৩ ঃ অসমীয়া সংস্কৃতি আৰু খেল-ধেমালিৰ সমাহৰণ প্রক্রিয়াত মুছলমানসকলৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ ভৌতিক সংস্কৃতিৰ ভাগসমূহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ অসমৰ মুছলমান জনসমষ্টিটোক কিহৰ ভিত্তিত আৰু কেনেকৈ ভাগ কৰা হৈছে, আলোচনা কৰক।

প্রশ্ন ৬ ঃ ভাৰতীয় সংস্কৃতিৰ প্রেক্ষাপটত অসমীয়া সংস্কৃতিৰ প্রতিচ্ছবি সম্পর্কে এটি নাতিদীর্ঘ আলোচনা আগবঢ়াওক।

*** ***** ***